**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰত ওড়িশাত ৰে'লৰেৰ আন্তঃগাঁথনি উন্নত হোৱাটো এটা সঁচাকৈ ঐতিহাসিক বুলি অভিহিত কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৯ চনত ভাৰতে বিশ্ব আৰক্ষী আৰু অগ্নি নিৰ্বাপন ক্ৰীড়াৰ আয়োজনৰ দায়িত্ব পোৱাত আনন্দ প্ৰকাশ কৰিছে।

৩। ভাৰতে মোজাম্বিকলৈ ৩ হাজাৰ ৩০০ হৰ্ছপাৱাৰৰ ১০টা ডিজেল ইলেকট্ৰিক ৰে'ল ইঞ্জিন ৰপ্তানি কৰা হ'ব।

৪। মহম্মদ ইউনিছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে দেশখনৰ ২০১৪, ২০১৮ আৰু ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত দুৰ্নীতি আৰু অনিয়ম হোৱাৰ অভিযোগৰ তদন্তৰ বাবে কালি এখন পাঁচজনীয়া সমিতি গঠন কৰে।

*আৰু*

৫। চেন্নাইত অনুষ্ঠিত হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ মহিলাৰ চূড়ান্ত প্ৰতিযোগিতাত ওড়িশাই পঞ্জাবক ১ গ'লত পৰাস্ত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰত ওড়িশাত ৰে'লৰেৰ আন্তঃগাঁথনি উন্নত হোৱাটো এটা সঁচাকৈ ঐতিহাসিক বুলি অভিহিত কৰিছে। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে লিখা প্ৰবন্ধটো শ্ৰীমোদীয়ে শ্বেয়াৰ কৰি কয় যে ভাৰতীয় ৰে'ল যাত্ৰা পৱিত্ৰ জগন্নাথ পুৰীলৈ তীৰ্থযাত্ৰীসকলৰ আহ-যাহৰ বাবে বিশেষভাৱে সহজ হৈ উঠিছে। প্ৰবন্ধটোত শ্ৰীবৈষ্ণৱে উল্লেখ কৰিছে যে চলিত বিত্তীয় বৰ্ষত ওড়িশাৰ বাবে ৰে'ল বাজেট ১০ হাজাৰ ৫০০ কোটিৰো অধিক হৈছে। ২০১৪ চনৰ পৰা ওড়িশাত দুহেজাৰ কিলোমিটাৰৰো অধিক নতুন ৰে'লপথ নিৰ্মাণ কৰা হৈছে। তেওঁ কয় যে এই সময়ছোৱাত ৰাজ্যখনত ৫৯টা অমৃত ষ্টেচন বিকশাই তোলা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৯ চনত ভাৰতে বিশ্ব আৰক্ষী আৰু অগ্নি নিৰ্বাপন ক্ৰীড়াৰ আয়োজনৰ দায়িত্ব পোৱাত আনন্দ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে এইটো এটা অতিশয় গৌৰৱৰ বিষয়। তেওঁ জনায় যে এই ক্ৰীড়া আয়োজনৰ বাবে পোৱা সুবিধাই ভাৰতৰ ক্ৰমাৎ বৃদ্ধি পোৱা ক্ৰীড়া আন্তঃগাঁথনিক বিশ্ব দৰবাৰত এটা পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে জনায় যে আহমেদাবাদক এই ক্ৰীড়া আয়োজনৰ স্থান হিচাপে নিৰ্বাচন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ইৰাণৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ছৈয়দ আববাছ্ আৰাগাচিৰ সৈতে ইৰাণৰ বৰ্তমান পৰিস্থিতি সন্দৰ্ভত বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে বৰ্তমানৰ জটিল পৰিস্থিতিৰ সময়ত ইৰাণৰ দৃষ্টিভংগী আৰু চিন্তাধাৰাক তেওঁ প্ৰশংসা কৰে। তেওঁ লগতে ইৰাণৰ পৰা ভাৰতীয় নাগৰিকসকলক সুকলমে দেশলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে ইৰাণৰ বৈদেশিক মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০০০

ভাৰতে মোজাম্বিকলৈ ৩ হাজাৰ ৩০০ হৰ্ছপাৱাৰৰ ১০টা ডিজেল ইলেকট্ৰিক ৰে'ল ইঞ্জিন ৰপ্তানি কৰা হ'ব। বেনাৰস ল'ক'মটিভ ৱৰ্কছত নিৰ্মাণ কৰা এই ইঞ্জিনসমূহ প্ৰযুক্তিগতভাৱে উন্নত হোৱাৰ লগতে চালকৰ সুবিধা হোৱাকৈ ভালেমান বিশেষ সুবিধা প্ৰদান কৰা হৈছে। বিশেষ আৰ্হিৰে নিৰ্মাণ কৰা এই ইঞ্জিনসমূহত প্ৰসাধনৰ লগতে ৰেফ্ৰিজেৰেটৰৰ ব্যৱস্থা ৰখা হৈছে। এই ইঞ্জিনসমূহ কেৱল চালকৰ বাবে আৰামদায়ক হোৱাই নহয়, আন্তঃৰাষ্ট্ৰীয় স্তৰতো উন্নত মানেৰে নিৰ্মাণ কৰা হৈছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত ৰে'লৱে বোৰ্ডৰ কাৰ্যবাহী সঞ্চালক দিলীপ কুমাৰে জানিবলৈ দিয়ে যে মোজাম্বিকলৈ প্ৰেৰণ কৰিবলগা ১০টা ইঞ্জিনৰ ভিতৰত চলিত মাহত ইতিমধ্যে দুটা ইঞ্জিন মোজাম্বিকত সফলতাৰে প্ৰেৰণ কৰা হৈছে। ৰে'লৱে বোৰ্ডৰ সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি চলিত বৰ্ষৰ শেষ ভাগত আন ৮টা ইঞ্জিন মোজাম্বিকলৈ পঠিওৱা হ'ব।

০০০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি ৰাষ্ট্ৰীয় ৰাজধানীত ১০০খন দেৱী ইলেকট্ৰিক বাছৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয়, যে ৰাষ্ট্ৰীয় ৰাজধানীৰ ৯টা পথত এই ১০০খন দেৱী ইলেকট্ৰিক বাছ চলাচল কৰিব। তেওঁ জানিবলৈ দিছে যে দিল্লীৰ জনসাধাৰণৰ আহ-যাহৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি দিল্লী চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ফলত দিল্লীৰ জনসাধাৰণৰ যাতায়তৰ আৰু অধিক সুবিধা হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০০০

মহম্মদ ইউনিছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে দেশখনৰ ২০১৪, ২০১৮ আৰু ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত দুৰ্নীতি আৰু অনিয়ম হোৱাৰ অভিযোগৰ তদন্তৰ বাবে কালি এখন পাঁচজনীয়া সমিতি গঠন কৰে। সেইকেইটা নিৰ্বাচনত জয়লাভ কৰা আৱামী লীগৰ বিৰুদ্ধে অন্তৰ্বৰ্তীকালীন চৰকাৰে চলোৱা ৰাজনৈতিক  অভিযানৰ অংশ হিচাপে বাংলাদেশ হাই কোৰ্টৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ছামিন হাছনেইনৰ নেতৃত্বত গঠিত এই সমিতিক অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। চৰকাৰৰ পৰা পোৱা জাননীৰ ভিত্তিত এই সমিতিয়ে এইকেইটা নিৰ্বাচনত দুৰ্নীতি, অনিয়ম আৰু কোনো অপৰাধ সংঘটিত হৈছিল নেকি সেই বিষয়ে তদন্ত চলাব। ভৱিষ্যতে দেশখনত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো এই উচ্চ পৰ্যায়ৰ সমিতিয়ে পৰামৰ্শ আগবঢ়াব।

০০০০০০০০০

ইলেকট্ৰনিকছ আৰু তথ্যপ্ৰযুক্তি সচিব এছ কৃষ্ণনে আজি কৈছে যে চৰকাৰে অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠানৰ অধীনত টু-ডি গৱেষণা কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰিছে। নতুন দিল্লীত আয়োজিত টেকভাৰ্ছ সন্মিলনত অংশগ্ৰহণ কৰি তেওঁ কয়, যে ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনত এই

কেন্দ্ৰটো নিৰ্মাণ কৰা হ'ব। তেওঁ কয়, যে ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ অধীনত অনুৰূপ ধৰণৰ এটা কৃত্ৰিম বুদ্ধিমত্তাৰ আৰ্হি স্থাপন কৰা হ'ব। সচিবগৰাকীয়ে প্ৰযুক্তিৰ জৰিয়তে দেশৰ সামগ্ৰিক বিকাশৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে উদ্যোগ, শৈক্ষিক আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহৰ সহযোগিতাৰ বাবে আহ্বান জনায়।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাৰ বনাঞ্চলত নিৰাপত্তা বাহিনীসমূহে আজি পুৰা পাকিস্তানৰ জইছ্-ই-মহম্মদৰ তিনিটা সন্ত্ৰাসবাদীক বিচাৰি উলিওৱাৰ বাবে অভিযান অব্যাহত ৰাখিছে। নিৰাপত্তা বাহিনীসমূহৰ সৈতে হোৱা সংঘৰ্ষত কালি এটা সন্ত্ৰাসবাদী নিহত হোৱাৰ লগতে পলাই যাবলৈ সক্ষম হোৱা আন তিনিটা সন্ত্ৰাসবাদী বিচাৰি উলিওৱাৰ বাবে আজি বসন্তগড় বনাঞ্চলত অভিযান চলাই থকা হৈছে। প্ৰতিকূল বতৰ আৰু ঘন কুঁৱলী সত্বেও সমগ্ৰ অঞ্চলটোত হেলিকপ্টাৰ, ড্ৰোণ আৰু স্নীফাৰ ড'গৰ সহায়ত এই অভিযান চলাই থকা হৈছে। সেনাবাহিনী আৰু আৰক্ষীয়ে চলোৱা যুটীয়া অভিযানত অঞ্চলটোৰ ভিতৰুৱা বিহালী অঞ্চলত কালি সন্ত্ৰাসবাদীকেইটাৰ সৈতে সংঘৰ্ষৰ সূত্ৰপাত হৈছিল।

০০০০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে দক্ষিণ কলকাতাৰ এখন মহাবিদ্যালয়ৰ চৌহদত এগৰাকী আইনৰ ছাত্ৰীক দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। ৰাষ্ট্ৰীয় আয়োগে কলকাতাৰ আৰক্ষী আয়ুক্তলৈ লিখা এখন পত্ৰত এই বিষয়টোৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰি ৩ দিনৰ ভিতৰত ইয়াৰ সবিশেষ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০০০

আজিৰে পৰা গুৱাহাটীৰ সোণাপুৰত দ্বিতীয় উত্তৰ-পূব ভূতত্ব আৰু খনি মন্ত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে খনি আৰু খনিজাত পদাৰ্থ সঠিকভাৱে অন্বেষণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। খনিজ খণ্ডৰ অন্বেষণমূলক কাম-কাজসমূহ বৃদ্ধি কৰাৰ বাবে অসম ৰাজ্যিক খনিজ অন্বেষণ ন্যাস গঠনত অনুমোদন জনোৱা হৈছে। ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিগত হস্তক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কয়লা ক্ষেত্ৰসমূহ মুকলি হ'ল আৰু বৰ্তমান ইয়াৰ সুফল লাভ কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে খনিজ সম্পদ আহৰণৰ জৰিয়তে আদায় হোৱা ৰাজহৰ জৰিয়তে প্ৰতিখন ৰাজ্য উপকৃত হ'ব।

মুখ্যমন্ত্ৰীয়ে কয়, যে ডিমাহাচাও জিলাৰ বড়ো হাংডুং আৰু উমৰাংচু অঞ্চলত সাতটা চূনশিল ব্লকৰ নিলামৰ কাম আৰম্ভ হৈছে। ইতিমধ্যে পাঁচটা চূনশিল ব্লকৰ নিলাম সফলভাৱে সম্পন্ন হৈছে আৰু দুটা ব্লকৰ নিলাম প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাকে ধৰি পাহাৰীয়া জিলাসমূহত খনিজ সম্পদৰ অন্বেষণৰ বাবে বৃস্তিত ৰূপৰেখা প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে খনিজ সম্পদৰ যথাযথ ব্যৱহাৰ সুনিশ্চিত কৰা হ'ব।

অসমত প্ৰস্তাৱিত তিনি হাজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে কয়লা যোগান ধৰাৰ আশ্বাস দিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে তেওঁৰ ভাষণত কয়, যে দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা আছে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বাবে ৰাজ্য ভিত্তিক খনি পৰিকল্পনা

ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-তাত্বিক সম্ভাৱনীয়তা বিষয়ক ৰূপৰেখা পত্ৰও উদ্বোধন কৰা হয়। দুদিনীয়া এই সন্মিলনত কয়লা আৰু খনি বিভাগৰ ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

ooooooooo

চেন্নাইত অনুষ্ঠিত হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ মহিলাৰ চূড়ান্ত প্ৰতিযোগিতাত ওড়িশাই পঞ্জাবক ১ গ'লত পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ মহিলা শাখাৰ তৃতীয় আৰু চতুৰ্থ স্থানৰ বাবে হোৱা প্ৰতিযোগিতাত হাৰিয়ানাই আয়োজক ৰাজ্য তামিলনাডুক ৪-৩ গ'লত পৰাস্ত কৰে। ইফালে, পুৰুষৰ শাখাত চণ্ডীগড়ে ওড়িশাক ২-১ গ'লত পৰাস্ত কৰে। মহিলা শাখাৰ গ্ৰুপ **এ**ত থকা কৰ্ণাটকে ৯ পইণ্ট অৰ্জনেৰে শীৰ্ষস্থান অধিকাৰ কৰে। ইফালে, গ্ৰুপ **বি**ত পঞ্জাবে ৯ পইণ্ট অৰ্জন কৰি শীৰ্ষস্থানত থাকে। পুৰুষৰ শাখাত পুল **এ**ত থকা তামিলনাডুৱে ৬ পইণ্টেৰে শীৰ্ষস্থানত থাকে। ইফালে, পুল **বি**ত ওড়িশাই ৬ পইণ্ট অৰ্জনেৰে শীৰ্ষস্থান অধিকাৰ কৰে। পুৰুষ শাখাৰ প্ৰতিযোগিতাত ওড়িশাৰ লাজৰুছ বাৰ্লাই সৰ্বাধিক পাঁচটা গ'ল দিয়াৰ বিপৰীতে মহিলা শাখাত হাৰিয়ানাৰ চিংছুবাম ছাংগাই ইবেমহালে প্ৰতিযোগিতাত সৰ্বাধিক ১১টা গ'ল কৰে।

ooooooooo

সমাপ্ত